ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

# বৈদিক যুগত নাৰী শিক্ষা সম্পৰ্কে এক সংক্ষিপ্ত আলোচনা

— ড° দীপ্তিমণি গোস্বামী
সহকাৰী অধ্যাপিকা
বি.এইচ.বি মহাবিদ্যালয়, সৰুপেটা
ই-মেইল্ ঃ diptigoswami7831@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

সমাজ এখন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ নাৰী-পুৰুষ উভয়ৰে সহায়-সহযোগিতাৰ প্ৰয়োজন। নাৰী আৰু পুৰুষ দুয়োৰে উপযুক্ত দায়িত্ব আৰু কৰ্তব্য পালনৰ দ্বাৰাহে এখন সমাজ আগবাঢ়ি যাব পাৰে। নিজ নিজ সংসাৰবিলাকো সুন্দৰভাৱে পৰিচালিত কৰাৰ ক্ষেত্ৰতো নাৰীৰ দায়িত্ব বেছি। সেয়েহে সমাজখন বা পৰিয়ালবিলাক সুচাৰুৰূপে আগবাঢ়ি যোৱাৰ বাবে পুৰুষৰ লগতে নাৰীসকলোৰো উপযুক্ত শিক্ষাৰ প্ৰয়োজন। বৈদিক যুগত নাৰীসকলৰ শিক্ষা-দীক্ষা কেনেকুৱা আছিল, সমাজত নাৰীসকলক কেনেকুৱা ধৰণৰ দৃষ্টিভঙ্গীৰে চোৱা হৈছিল, তাৰ বিষয়ে এই লেখনিটোত আলোকপাত কৰা হৈছে।

***বীজ শব্দ ঃ*** *নাৰী, সমাজ, প্ৰয়োজন, দায়িত্ব, বেদ।*

**আৰম্ভণি ঃ**

অতীত কালৰ পৰাই সমাজত নাৰীসকলৰ এক বিশেষ স্থান যে আছে, তাৰ উমান পোৱা যায়। মহিলাসকলৰ নিজ পৰিয়ালৰ লগতে সমাজৰ প্ৰতি থকা দায়িত্ববোধ, কৰ্তব্যবোধৰ বিষয়ে শুনি আহিছোঁ বা বৰ্তমানেও প্ৰত্যক্ষ কৰি আছোঁ। নাৰীসকলৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন ক্ষেত্ৰত থকা কৰ্তব্যপৰায়ণতাই, তেওঁলোকৰ সমাজত এক বিশেষ স্থান থকাৰ পৰিচয় দিয়ে।

নাৰীসকলৰ সমাজত যে বৈদিক যুগৰ পৰাই এক বিশেষ স্থান আছে, সেইটো পৰিলক্ষিত হৈছে। বৈদিক যুগত পুৰুষৰ সমানেই নাৰীসকলে সমান অধিকাৰ বা মৰ্যদা পাইছিল। এই বিষয়ে ঋগ্বেদত উল্লেখ আছে।

"উপোপ মে পৰামৃশ মা মে দভ্ৰাণি মন্যথাঃ
সৰ্বাহমস্মি ৰোমশা গান্ধাৰীণামিবাবিকা।।" (ঋগ্বেদ ১-১২৬-৭)

এই শ্লোকটোত ৰজাৰ সমানে ৰাণীও সমানাধিকাৰ পোৱাৰ বিষয়ে উল্লেখ কৰা হৈছে। অথৰ্ববেদত পোৱা যায় যে এগৰাকী মহিলা ছাত্ৰ জীৱনত সফলতাৰে শিক্ষা আহৰণৰ কৰাৰ পিছত হে বৈবাহিক জীৱনৰ বাবে উপযুক্ত হয়।

"ব্ৰহ্মচৰ্যেতা কন্যা যুবানং বিন্দতে পাতিম (অথৰ্ববেদ, ১১-৫-১৮)

নাৰী সম্পকে মনুসংহিতাটো পোৱা যায়—

"যত্ৰ নাৰ্মস্ত পূজ্যন্তে ৰমন্তে তত্ৰ দেবতাঃ
যত্ৰ এবাস্ত ন পূজ্যন্তে সৰ্বাস্তত্ৰাফলা ক্ৰিয়া।।" (মনুস্মৃতি ৩-৫৬)

অৰ্থাৎ য'ত নাৰীসকলক পূজা কৰা হয়, সন্মান কৰা হয়, তাতেই দেৱতাসকলো থাকে, আকৌ

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

য'ত নাৰীসকলক সন্মান কৰা নহয়, তাত সকলো কাৰ্য্য বিফল হয়।

সেয়েহে সমাজ এখন উন্নতিৰ শিখৰলৈ যাবলৈ হ'লে মূল চাবি-কাঠি নাৰীসকলৰ হাতত। গতিকে বৈদিক যুগত নাৰীসকলৰ অৱদান বা মৰ্যদা কেনেকুৱা আছিল তাৰ বিষয়ে ইয়াত সংক্ষিপ্তভাবে অৱতাৰণা কৰা হৈছে।

**অধ্যয়নৰ উৎস আৰু পদ্ধতি ঃ**

প্ৰস্তাবিত বিষয়টো প্ৰস্তুত কৰিবৰ কাৰণে বিভিন্ন গ্ৰন্থ, প্ৰবন্ধ আদিৰ সহায় লোৱা হৈছে। তদুপৰি বিষয়বস্তু আলোচনা কৰোঁতে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**বিষয়বস্তুৰ বিশ্লেষণ ঃ**

বৈদিক যুগত ব্ৰাহ্মণ ক্ষত্ৰিয় আৰু বৈশ্য এই তিনিটা বৰ্ণৰ বাবে শিক্ষাব্যবস্থা বাধ্যতামূলক আছিল। সেই সময়ত ছাত্ৰসকলে উপনয়ন পতাৰ পিছত গুৰু গৃহলৈ গৈ শিক্ষা আৰম্ভ কৰিছিল। বৈদিক শিক্ষাব্যৱস্থাক "স্বাধ্যায়" বুলি আখ্যা দিছিল। কিয়নো সেই সময়ত বেদৰ পবিত্ৰ শ্লোকসমূহ বংশানুক্ৰমে এজনৰ পৰা আনজনলৈ মুখে-মুখে চলি আহিছিল। বৈদিকযুগৰ পাঠ্য বিষয়বোৰ হ'ল— বৈদিক-মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক, উপনিষদ আৰু বেদাঙ্গসমূহ। কিন্তু পিচলৈ নতুন নতুন বিষয় সংযুক্ত কৰি পাঠ্যবিষয় বহলাইছিল। বৈদিক যুগৰ শিক্ষাৰ স্থান অৰণ্য-বিশ্ববিদ্যালয়, ৰাজ-সভা, যজ্ঞভূমি আদিয়েই আছিল। শিক্ষাবিষয়ক সভা, আধ্যাত্মিকবিষয়ক আলাপ-আলোচনা, বিতৰ্ক-সভা আদি এইবোৰতেই পতা হৈছিল।

পিতৃ-মাতৃসকলে ল'ৰা-ছোৱালীৰ শিক্ষাৰ বা খোৱা-বোৱাৰ বাবত কোনো টকা-পইচা দিব নালাগিছিল। তেওঁলোকে বিনা বেতনে শিক্ষা প্ৰদান কৰিছিল। কিন্তু সেই সময়ত এটা কথা প্ৰচলিত আছিল যে গুৰু-দক্ষিণা অবিহনে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা সফল নহয়। সেই কাৰণে দুখীয়া ছাত্ৰ-ছাত্ৰীসকলে একো দিব নোৱাৰিলে এমুঠি শাক গুৰু-দক্ষিণা হিচাবে প্ৰদান কৰিছিল। বৈদিক যুগত গুৰুগৃহত থাকি শিষ্যসকলে শিক্ষা গ্ৰহণ কৰাৰ উপৰিও আন এটা শিক্ষা ব্যৱস্থা আছিল য'ত শিক্ষকসকলে ঘূৰি ফুৰি শিক্ষা প্ৰদান কৰিছিল বা বক্তৃতা প্ৰদানেৰে উপদেশ দি ফুৰিছিল। এওঁলোকক 'চৰক' বুলিছিল। ঘুৰি ফুৰি শিক্ষা প্ৰদান কৰা শিক্ষাৰ বিষয়ে শতপথ ব্ৰাহ্মণত পোৱা যায়। (শতপথ ব্ৰাহ্মণ-৪-২-৪-১)। এওঁলোকে যি যি স্থানলৈ গৈছিল তাতেই শিক্ষা, সংস্কৃতি, জ্ঞান প্ৰদান কৰিছিল। এই শিক্ষকসকলক ভ্ৰাম্যমাণ বিদ্যালয় বুলি ক'ব পাৰি। তেওঁলোকে সৰ্বসাধাৰণ সকলো লোককে শিক্ষাপ্ৰদান কৰি সমাজখন আগুৱাই নিবলৈ যথেষ্ট চেষ্টা কৰিছিল।

গুৰুগৃহত শিক্ষা শেষ কৰি ঘৰলৈ ঘূৰি অহাৰ পিচত পিতৃক উপদেশ দিবলৈ অনুমতি দিয়া হৈছিল। এনেকুৱা উদাহৰণ বহুতো পোৱা যায়। ছান্দোগ্য উপনিষদত (৫-৩-১) পোৱা যায় যে শ্বেতকেতুৰে গুৰুগৃহত শিক্ষা শেষ কৰি আহি পিতৃ আৰুনিৰ পৰা ব্ৰহ্মবিদ্যা লাভ কৰিছিল। তৈত্তিৰীয় উপনিষদতো (৩-১) পোৱা যায় যে পিতৃ বৰুণে নিজপুত্ৰ ভৃগুক শিক্ষা প্ৰদান কৰিছিল।

মুঠতে বৈদিক যুগত প্ৰচলিত শিক্ষা পদ্ধতিয়ে ছাত্ৰৰ শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক আদি চাৰিওফালৰপৰা শিক্ষা প্ৰদান কৰিছিল। এই শিক্ষা সৰ্বতোমুখী। বৈদিক শিক্ষাই মগজুৰ উন্নতি সাধন কৰাৰ লগতে ছাত্ৰ এজনক প্ৰকৃত গঢ় দিব পাৰিছিল। এই শিক্ষাই শিক্ষাগত উৎকৰ্ষ সাধন কৰাৰ লগতে গোটেই জীৱনটো কেনেদৰে চলিব লাগে, সৰ্বতো প্ৰকাৰেৰে উন্নতি সাধন কৰিছিল। বৈদিক যুগৰ ছাত্ৰ


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

জীৱনৰ সময়ছোৱাক ব্ৰহ্মচৰ্য্য জীৱন বুলি পৰিচিত। ছাত্ৰসকলে গুৰুগৃহত আদৰ্শনীয়, শিক্ষণীয় কঠোৰ শৃংখলাবদ্ধতা আৰু ত্যাগৰ মাজেদি জীৱন-যাপন কৰে। তাৰোপৰি শিষ্যসকলে আদৰ্শবান পিতৃতুল্য গুৰুৰ ওচৰত থাকি শিক্ষা আহৰণ কৰি, ছাত্ৰ জীৱন গঢ় দি তুলিছিল। সৰ্বাঙ্গসুন্দৰ পৰিবেশত শিক্ষা লাভ কৰি শিষ্যসকলৰ সুপ্ত শাৰীৰিক, মানসিক, নৈতিক, আধ্যাত্মিক গুণৰাশিও বিকশিত হৈছিল। এনেকুৱা ছাত্ৰজীৱনতে তেওঁলোকে মহাজ্ঞান, ব্ৰহ্মজ্ঞান গ্ৰহণ কৰাৰ উপৰিও মহান আত্মাক উপলব্ধি কৰিবলৈ সক্ষম হয়। ভৌতিক আৰু আধ্যাত্মিক দুয়োবিধ শিক্ষাই বৈদিক শিক্ষাৰ ভিতৰত অন্তৰ্ভুক্ত আছিল। গুৰুগৃহত শিক্ষা শেষ কৰি শিষ্যসকলে নিজ ঘৰলৈ উভতি আহি বিয়া-বাৰু কৰাইছিল। এনেদৰে শিষ্যসকলে জীৱনৰ দ্বিতীয় অধ্যায়ত ভৰি দিয়ে। ইয়াৰ পৰাই গাৰ্হস্থ্য জীৱনৰ পাতনি মেলিছিল আৰু সমাজত বিশেষ ব্যক্তিৰূপে পৰিগণিত হৈছিল। গুৰুগৃহত ছাত্ৰসকলে বহুত কঠোৰ শাসন, শৃংখলাবদ্ধতা, সত্যবাদিতাৰ মাজেৰে জীৱন-যাপন কৰাৰ পিছত, তেনেকুৱা শিষ্য কেতিয়াও পাৰ্থিৱ প্ৰলোভনত ডুব গৈ বিপথগামী হ'ব নোৱাৰে। এনেকুৱা আদৰ্শৰে আদৰ্শিত ছাত্ৰ এজন পিছৰ জীৱনত তেওঁ আদৰ্শস্থানীয় গৃহস্থ আৰু পৰোপকাৰী সামাজিক ব্যক্তি, সমাজৰ শিৰোমণি, জাতিৰ ধৰণী আৰু মানৱ সমাজৰ আদৰ্শপুৰুষৰূপে স্বীকৃতহয়।

**বৈদিক যুগত নাৰী শিক্ষা ঃ**

বৈদিক যুগত ছাত্ৰৰ শিক্ষাসম্পৰ্কে বিস্তৃতভাৱে পোৱা যায়। ছাত্ৰৰ এই সময়ছোৱাক ব্ৰহ্মচৰ্য্য বুলি কোৱা হয় আৰু এই সময়খিনিয়েই হৈছে জীৱনৰ প্ৰথম স্তৰ। ছাত্ৰজীৱনৰ এই ব্ৰহ্মচৰ্য্যৰ বিষয়ে চাৰিওখন বেদতে বিশেষভাৱে আলোচনা পোৱা যায়। কিন্তু স্ত্ৰী-শিক্ষাৰ বিষয়ে কোনো এখন বেদতে স্পষ্টভাৱে প্ৰকাশ কৰা দেখা নাযায়। ল'ৰাবিলাকে যেনেকৈ গুৰুগৃহত থাকি শিক্ষা আহৰণ কৰিছিল তেনেকৈ নাৰীৰ বাবে শিক্ষানুষ্ঠান আছিল নে নাই সেই বিষয়ে ক'তো একো উল্লেখ পোৱা নাযায়। কিন্তু তথাপি তলত আলোচনা কৰাৰ পৰা অনুমান কৰিব পাৰি যে বৈদিক যুগতো উচ্চ পৰ্য্যায়ৰ স্ত্ৰীশিক্ষাৰ প্ৰচলন আছিল। ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য এই তিনি জাতিৰ মহিলাসকলে বেদ অধ্যয়ন কৰিব পাৰিছিল। তেওঁলোকক শিক্ষয়িত্ৰী হিচাপে পোৱাৰ উপৰিও বেদৰ মন্ত্ৰদ্ৰষ্টা, ছাত্ৰী, তপস্বিনী, ব্ৰহ্মচাৰিণী আৰু ব্ৰহ্মবাদিনী আদি ভিন্ন ৰূপত পোৱা যায়।

**বেদৰ মন্ত্ৰ-দ্ৰষ্টা হিচাপে নাৰী ঃ**

আটাইবোৰ বেদতে বহুতো বেদৰ মন্ত্ৰ-দ্ৰষ্টা নাৰীৰ নাম পোৱা যায়। ঋগ্বেদৰ পঞ্চম মণ্ডলৰ ২৮ সুক্তত বিশ্ববাৰা, অষ্টম মণ্ডলৰ ৯ নম্বৰ সূক্তত অপালা, প্ৰথম মণ্ডলৰ ১২৬ নম্বৰ সূক্তত ৰোমশা, প্ৰথম মণ্ডলৰ ১৭৯ নম্বৰ সুক্তত লোপমুদ্ৰা, দশম মণ্ডলৰ ১২৫ নম্বৰ সুক্তত অম্ভৃণীবাক্, ইয়াৰোপৰি কাক্ষিবতী, জাৰিতা, শ্ৰদ্ধা কামায়ণী আদি বেদমন্ত্ৰ ৰচয়িত্ৰী নাৰীসকলৰ নাম পোৱা যায়। বৈদিক দেৱতাসকলৰ বিষয়ে আলোচনা কৰা "বৃহৎদেৱতা" নামৰ পুথিখনত এই নাৰীসকলক ব্ৰহ্মবাদিনী বুলি আখ্যা দিছে। এই সূক্তবোৰত উল্লেখ থকা নাৰীবোৰৰ উপৰিও ঋগ্বেদৰ বেদমন্ত্ৰত সৰ্পৰাজ্ঞী, ইন্দ্ৰাণী, যমী, উৰ্বশী আদি নাৰীৰ নাম পোৱা যায়। সামবেদত উল্লেখ থকা মন্ত্ৰদ্ৰষ্টা নাৰীসকল হল-নোধা, গোপায়না, সিকতা, নিৰাবৰী আদি।

ঋগ্বেদৰ সময়ৰপৰা সূত্ৰ-সাহিত্যৰ সময়লৈ এই কালছোৱাৰ ভিতৰত তিনি শ্ৰেণীৰ মহিলাসকলক লগুণ পিন্ধোৱা হৈছিল। তেওঁলোকে সাবিত্ৰী বা গায়ত্ৰী মন্ত্ৰ জপ কৰিব পাৰিছিল, যজ্ঞাগ্নি প্ৰজ্বলন কৰিব

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

পাৰিছিল। বেদ বা আন আন শাস্ত্ৰও অধ্যয়ন কৰিব পাৰিছিল। 'যম' নামৰ স্মৃতিশাস্ত্ৰখন লিখা ঋষিজনে কৈছে—

"পুৰাকল্পে কুমাৰীনাং মৌঞ্জীবন্ধনমিষ্যতে।
অধ্যাপমঞ্চ বেদানাং সাবিত্ৰীবচনং তথা।" (বেদৰ পৰিচয়, পৃষ্ঠা ঃ ২৫৫)

অৰ্থাৎ পুৰণি কালত মহিলাসকলোৰো লগুণ লোৱাৰ অধিকাৰ আছিল। তেওঁলোকে সকলো বেদ পঢ়িব পাৰিছিল আৰু সাবিত্ৰী মন্ত্ৰও পাঠ কৰিছিল। 'হাৰীত' নামৰ স্মৃতিশাস্ত্ৰখনৰ লেখক ঋষিজনেও প্ৰকাশ কৰিছে যে পুৰণিকালত ব্ৰহ্মবাদিনী আৰু সদ্যোবধূ নামেৰে দুই শ্ৰেণী আছিল। এই দুইপ্ৰকাৰৰ নাৰীৰ ভিতৰত ব্ৰহ্মবাদিনী নাৰীয়ে লগুণ পিন্ধিছিল। তেওঁলোকৰ যজ্ঞাগ্নি প্ৰজ্বলনত অধিকাৰ আছিল, বেদাদিও পাঠ কৰিছিল। সদ্যোবধূ নামৰ মহিলাবোৰৰ এইবোৰত অধিকাৰ নাছিল। ব্ৰহ্মবাদিনী নাৰীসকলে বিয়া হোৱা নাছিল। তেওঁলোকে নৈষ্ঠিক ব্ৰহ্মচাৰী ল'ৰাৰ দৰে চিৰকাল অবিবাহিতা হৈ থাকিব বুলি প্ৰতিজ্ঞাবদ্ধ আছিল। ব্ৰাহ্মণ ক্ষত্ৰিয় আৰু বৈশ্য এই তিনি শ্ৰেণীৰ নাৰীক লগুণ দিয়াতো ধৰা-বন্ধা নিয়ম আছিল যদিও আৰ্যজাতিৰ 'ইন্দো-আৰ্য' শাখাৰ মাজত নোহোৱা হয়। তথাপি এই নীতি এতিয়াও 'ইন্দো-আৰ্য' শাখাৰ মাজত প্ৰচলিত আছে। জৰথুস্ট্ৰ ধৰ্মাৱলম্বী পাৰ্ছী মহিলাসকলক এতিয়াও লগুণ পিন্ধোৱা হয় বা 'নৱজোৎ' নামে খ্যাত উপনয়ন সংস্কাৰ তেওঁলোকৰ মাজত প্ৰচলিত।

সদ্যোবধূ মহিলাবোৰ উপকুৰ্বান ব্ৰহ্মচাৰী ল'ৰাবোৰৰ দৰে। তেওঁলোকে গুৰুগৃহত শিক্ষা শেষ কৰি নিজ ঘৰলৈ আহে আৰু তেওঁলোকে বিবাহ আদি কাৰ্য্য সম্পাদন কৰে। তাৰ পিছত তেওঁলোকে দ্বিতীয় জীৱন আৰম্ভ কৰিবলৈ লয়।

মহিলাসকলৰ উপনয়ন সংস্কাৰ সূত্ৰ-সাহিত্যৰ দিনতো প্ৰচলন আছিল। তাৰ প্ৰমাণ পোৱা যায় যে 'গোভিন' নামৰ গৃহ্যসূত্ৰখনৰ ৰচক বিখ্যাত ঋষিজনে কৈছে —

"প্ৰাবৃতাম্ যজ্ঞোপবীতিনীম্ অভ্যুদানয়ন জপেৎ
সোমো দদত্ গন্ধৰ্বায় ইতি"

অৰ্থাৎ দুৱাই পবিত্ৰ লগুণধাৰিণী কন্যাৰ হাতত ধৰি 'সোমো দদত্ গন্ধৰ্বায়' আদি মন্ত্ৰ উচ্চাৰণ কৰিব লাগে। (বেদৰ পৰিচয় ঃ পৃষ্ঠা-২৫৬)

পুৰণি কালতো এই উপনয়ন সংস্কাৰৰ বিষয়ে অ'ত-ত'ত থকা কিছুমান উদাহৰণ পোৱা যায়। মহাভাৰতৰ বনপৰ্বত পোৱা যায় যে এজন ব্ৰাহ্মণে পঞ্চপাণ্ডৱৰ মাতৃ কুন্তীদেৱীক লগুণ পিন্ধাইছিল আৰু লগতে অথৰ্ব শিৰৰ সাবিত্ৰী মন্ত্ৰ কেনেকৈ জপ কৰে তাকো শিকাইছিল।

খ্ৰীষ্টিয় সপ্তম শতিকাতো মহিলাই যজ্ঞসূত্ৰ পৰিধান কৰা প্ৰথা ভাৰতৰ কিছুমান ঠাইত থকা উমান পোৱা যায়। কাৰণ বাণভট্টই যজ্ঞসূত্ৰ পৰিধানৰদ্বাৰা পবিত্ৰা এজনী ছোৱালীৰ কথা উল্লেখ কৰিছে —

"যজ্ঞসূত্ৰেণ পবিত্ৰীকৃতায়াং কন্যায়াম্।" (বেদৰ পৰিচয় ঃ পৃষ্ঠা-২৫৬)

কমলাকৰৰ নিৰ্ণয়সিন্ধু, স্মৃতিচন্দ্ৰিকা আছি কিছুমান হিন্দু আইন বিষয়ক গ্ৰন্থৰদ্বাৰা জনা যায় যে বৈদিক যুগত মহিলাসকলক যজ্ঞসূত্ৰ পৰিধান কৰোৱা হৈছিল। সেই মহিলাসকলে দ্বিজ পুৰুষৰ দৰে বেদ অধ্যয়ন কৰিব পাৰিছিল। মনুসংহিতা ৰচনা কৰাৰ সময়ত যদিও মহিলাসকলৰ এই প্ৰথাটো প্ৰচলন নাছিল, তথাপি অতীতকালৰ পৰা প্ৰচলন হোৱাৰ বিষয়ে মনুৱে জানিছিল। কিন্তু মনুস্মৃতি ৰচনা কৰাৰ সময়লৈকে মহিলাসকলৰ এই উপনয়ন প্ৰথা লুপ্ত হৈ গৈছিল।

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

**বেদ আৰু যজ্ঞত নাৰীৰ অধিকাৰ ঃ**

পাণিনিয়ে ৰচনা কৰা “পত্যুৰ্ণ যজ্ঞসংযোনে” নামৰ সূত্ৰত পত্নী শব্দৰ অৰ্থ এনেদৰে ব্যাখ্যা কৰিছে— ‘পতি’ শব্দৰ লগত ‘ন’ প্ৰত্যয় যোগ কৰি পতিক যজ্ঞাদি কাৰ্য্য কৰোঁতে সহায় কৰা বুজায়। পত্নীৰ সহায়ৰ অবিহনে যজ্ঞকাৰ্য্য সম্ভৱ নহয়। সেয়েহে মহিলাৰ প্ৰতিশব্দ ‘পত্নী’ শব্দৰ ব্যুৎপত্তিগত অৰ্থ হৈছে যজ্ঞকাৰ্য্যত সহায় কৰা। ৰামায়ণতো ইয়াৰ প্ৰমাণ পোৱা যায় যে সীতা বনবাসত থাকোঁতে ৰামচন্দ্ৰই ৰাজসূয় যজ্ঞ কৰাৰ বাবে সীতাৰ স্বৰ্ণমূৰ্তি নিৰ্মাণ কৰিবলগীয়া হৈছিল। ‘শতপথ ব্ৰাহ্মণ’তো পত্নী যজ্ঞৰ অৰ্ধাংশ বুলি পোৱা যায় “অৰ্ধো বা এষ যজ্ঞস্য যৎপত্নী” সকলো যজ্ঞতে “পত্নীসংযাজ” নামেৰে যজ্ঞকৰ্তাৰ পত্নীয়ে যজ্ঞকাৰ্যত বৈদিক মন্ত্ৰ উচ্চাৰণ কৰি বিশেষ সহায় কৰিছিল। যজমানৰ পত্নীয়ে অন্যান্য পুৰোহিতৰ লগতে যজ্ঞবেদীৰ কাষতে আসন গ্ৰহণ কৰিব পাৰিছিল। “শতপথ ব্ৰাহ্মণ”ত স্পষ্ট উল্লেখ আছে যে অবিবাহিতা মহিলাসকলৰ পূজাৰ অৰ্ঘ্য দেৱতাসকলে গ্ৰহণ নকৰে। (শতপথ ব্ৰাহ্মণ, ৫-১-৬-১০)।

বিবাহ সম্পাদন কৰোঁতেও কন্যাই বহুতো বেদমন্ত্ৰ উচ্চাৰণ কৰিব লাগে। উত্তৰ দিশে থকা ধ্ৰুৱতৰাটোলৈ চাই কন্যাজনীয়ে এই মন্ত্ৰ মাতিব লাগে—

“ধ্ৰুবং দৌঃ ধ্ৰুবা পৃথিবী ধ্ৰুবেয়ং।
ধ্ৰু বাহং পতিকূলে ভূয়াসম্ ।।

অৰ্থাৎ আকাশ যুগমীয়া, পৃথিবী যুগমীয়া আৰু এই ধ্ৰুৱ তৰাটিও যুগমীয়া। তেনেকৈয়ে ময়ো মোৰ পতিগৃহত যুগমীয়া হৈ বিৰাজ কৰিম। (বেদৰ পৰিচয়, পৃষ্ঠা-২৫৭)

**বৈদিক যুগত শিক্ষয়িত্ৰী হিচাপে নাৰী ঃ**

বৈদিক যুগত ছাত্ৰী হিচাপে নাৰীৰ উপৰিও শিক্ষয়িত্ৰী হিচাপেও উল্লেখ পোৱা যায়। পাণিনিয়ে তেওঁৰ ব্যাকৰণত শিক্ষয়িত্ৰীক বুজোৱা চাৰিটা শব্দ উল্লেখ কৰিছে। এই শব্দকেইটা হ’ল— আচাৰ্য্যা আৰু উপাধ্যায়া, আচাৰ্য্যানী আৰু উপাধ্যায়ী। তেওঁ এই শব্দকেইটাৰ প্ৰাৰ্থক্য উল্লেখ কৰিছে যে প্ৰথম শব্দ দুটাই অৰ্থাৎ আচাৰ্য্যা আৰু উপাধ্যায়ী শিক্ষয়িত্ৰী মহিলাক বুজাইছে। আচাৰ্য্যানী আৰু উপাধ্যায়ী - এই শব্দ দুটাই শিক্ষকৰ পত্নীক বুজাইছে। তাৰ ভিতৰত আচাৰ্য্যা আৰু উপাধ্যায়াসকল শিক্ষিতা আছিল। পাণিনিৰ এই সূত্ৰৰ ওপৰত নিৰ্ভৰ কৰি পতঞ্জলীয়ে তেওঁৰ মহাভাষ্যত আচাৰ্য্যা আৰু উপধ্যায়াৰ উদাহৰণ স্বৰূপে আপিশালী আৰু ঔদমেধী নামৰ মহান শিক্ষয়িত্ৰী দুগৰাকীৰ নাম প্ৰকাশ কৰিছে। ইয়াৰোপৰি কাশকৃৎস্ন ব্ৰাহ্মণী নামৰ আন এগৰাকী বৈয়াকৰণ শিক্ষয়িত্ৰীৰ নাম পোৱা যায়।

সংহিতা, ব্ৰাহ্মণ, উপনিষদ্ আদিত বহুতো শিক্ষিতা মহিলাৰ বিষয়ে উল্লিখিত আছে। তাৰ ভিতৰত গাৰ্গী আছিল উচ্চ শিক্ষিতা আৰু যশস্বিনী নাৰী। বৈদিক যুগৰ মহিলাসকলৰ ভিতৰত গাৰ্গী সকলো দিশৰপৰা সৰ্বশ্ৰেষ্ঠা আছিল। বৃহদাৰণ্যকোপনিষদ্ৰ ৩-৬ আৰু ৩-৪ খণ্ডত উল্লেখ আছে যে যাজ্ঞবল্ক্য আৰু গাৰ্গীৰ মাজত হোৱা শাস্ত্ৰবিষয়ক তৰ্কযুদ্ধত বিখ্যাত শাস্ত্ৰজ্ঞ, বিচাৰ-কুশলী ঋষিজনে ব্ৰহ্মবাদিনী মহিলা ঋষি গাৰ্গীক হৰুৱাব নোৱাৰিলে। শাস্ত্ৰ বিচাৰত দুয়োজন ঋষি সমকক্ষ স্বৰূপে স্বীকৃতি পাইছিল।

বৃহদাৰণ্যকোপনিষদ ২-৪ খণ্ডত ঋষি যাজ্ঞবল্ক্য আৰু তেওঁৰ পত্নী মৈত্ৰেয়ীৰ মাজত আধ্যাত্মিক বিষয়ত আলোচনাৰ বিষয়ে পোৱা যায়। ইয়াৰ পৰা উমান পোৱা যায় যে মৈত্ৰেয়ী উচ্চশিক্ষিতা, যশস্বিনী বিদুষী আছিল। তেওঁৰ আন এগৰাকী পত্নী কাত্যায়ণীয়ে সুশিক্ষিতা বিদুষী নাৰী আছিল।


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

ঐতৰেয় ব্ৰাহ্মণত গন্ধৰ্ব গৃহীতা নামেৰে এগৰাকী উচ্চশিক্ষিতা বিদূষী নাৰীৰ বিষয়ে পোৱা যায়। বৃহদাৰণ্যকোপনিষদ ৬-৪-১৭ খণ্ডত পোৱা যায় যে বৈদিক যুগতো পিতৃ-মাতৃয়ে উচ্চশিক্ষিতা বিদূষী কন্যা লাভ কৰাৰ কাৰণে বিশেষ ধৰণৰ হোমৰ যজ্ঞ অনুষ্ঠান কৰিছিল। ইয়াৰ পৰা এইটো অনুমান কৰিব পাৰি যে বৈদিক যুগতো পিতৃ-মাতৃয়ে পুত্ৰৰ লগতে কন্যা সন্তানকো গুৰুত্ব আৰোপ কৰিছিল। বেদ-মন্ত্ৰৰ স্ৰষ্টা আৰু ব্ৰহ্মবাদিনী মহিলাসকলক উচ্চ শিক্ষাৰে শিক্ষিত কৰি তুলিছিল।

বৈদিক যুগতো যে নৃত্য-গীত আদিৰ বহুতো প্ৰচলন আছিল তাৰ বহুতো প্ৰমাণ পোৱা যায়। নৃত্য-গীত- বাদ্য আদি মহিলাসকলক শিকাইছিল। সেই সময়ত নৃত্য-গীতৰ শিক্ষা পুৰুষ-নাৰী সকলোৱে লৈছিল যদিও, ইয়াক বিশেষকৈ মহিলাৰ উপযোগী বুলিহে বিবেচিত হৈছিল। "নৃত্যং গীতং স্ত্ৰীনাং কৰ্মা।" (শতপথ ব্ৰাহ্মণ, ৩-২-৪)। শতপথ ব্ৰাহ্মণৰ ১৪-৪-৩-২ অধ্যায়ত পোৱা যায় যে সামবেদী পুৰোহিতসকলৰ পত্নীসকলে যজ্ঞত সামগীত গাইছিল। এই বিষয়ে 'তৈত্তিৰীয় সংহিতা' আৰু 'মৈত্ৰায়ণী সংহিতা'টো পোৱা যায়।

**বৈদিক নাৰীসকলক ভিন্ন শিল্পবিদ্যাৰ শিক্ষা ঃ**

বৈদিক যুগত বিভিন্ন শিল্পবিদ্যাৰ বিষয়ে পোৱা যায়। তাঁত বোৱা, ফুল বচা, ঊণ গুঠা, চিলাই কৰা আদি শিল্পবিদ্যাবোৰ মহিলাসকলৰ বাবে আছিল। এই শিল্পকাৰ্যবোৰ মহিলাসকলে সম্পন্ন কৰিছিল। এই শিল্পকাৰ্যৰ বিষয়ে শতপথ ব্ৰাহ্মণৰ ১২-৭-২-২৩ পোৱা যায় যে— 'তৎ বা এতৎ স্ত্ৰীনাং কৰ্ম যৎ উৰ্ণাসূত্ৰং কৰ্ম।"

অৰ্থাৎ ঊণ গুঠা আৰু চিলাই কাৰ্য্যবোৰ মহিলাসকলৰ কাৰ্য্য। এইখন ব্ৰাহ্মণ গ্ৰন্থতে পোৱা যায় নাৰীসকলে অতীতৰ পৰাই নিজকে সজাই-পৰাই ভাল পায়। এইয়া নাৰীসকলৰ জন্মজাত প্ৰবৃত্তি। সেইকাৰণে মহিলাসকলে নিজৰ সাজ-পোছাকত ভিন্ন ৰঙীন সুতাৰে ফুল বাচি লৈছিল। ব্ৰাহ্মণ গ্ৰন্থবোৰত স্পষ্টভাৱে পোৱা যায় যে বৈদিক যুগতো মহিলাসকলে তাঁত বোৱা, ফুল বছা, ফুল তোলা আদি শিল্পকাৰ্য্যবোৰত অতি পাকৈত আছিল। বৈদিক যুগত যিসকল মহিলা ফুল বছা, ফুল তোলা, ঊণ গুঠা, চিলাই আদি কাৰ্য্যত পাকৈত আছিল, তেওঁলোকক 'পেশস্কৰী' বুলিছিল। উত্তৰবৈদিক যুগত এই 'পেশস্কৰী' শব্দটোৱে সুন্দৰ বৰং, চিত্তাকৰ্ষক আভৰণযুক্ত এটা পতঙ্গক বুজাইছিল। ঐতৰেয় ব্ৰাহ্মণত পোৱা যায় যে বৈদিক যুগৰ মহিলাসকল সূচীশিল্পৰ কাৰ্যত উৎকৃষ্ট আছিল (৩-১৯-১০)। তেওঁলোকে ব্যৱহাৰ কৰা সাজ-পাৰবোৰৰ দুয়োপাৰিত বা মাজ ভাগতো নানা ৰঙীন সুতাৰে বেজীৰে ধুনীয়া-ধুনীয়া হাতৰ কাম কৰিছিল। এইখন ব্ৰাহ্মণ গ্ৰন্থতে আকৌ পোৱা যায় যে মহিলাসকলে চকীবিলাকৰ গাদীবোৰত সোণালী সূতা, ৰূপালী ৰঙৰ সূতা, ৰঙা ৰঙৰ সূতা মিহলাই বেজীৰে চালে চকুৰোৱা ধৰণৰ অতি ধুনীয়া হাতৰ কাম কৰিছিল। মহিলাসকলে তেওঁলোকে ব্যৱহাৰ কৰা কাপোৰত নানা ৰঙৰ ৰং সানিব জানিছিল। শুক্লযজুৰ্বেদৰ ত্ৰিশ অধ্যায়ত বৈদিক যুগৰ মানুহে কৰা সত্তৰবিধ জীৱিকাৰ বিষয়ে পোৱা যায়। তাৰে বাষষ্ঠীবিধ পুৰুষৰ আৰু বাকী আঠবিধ মহিলাসকলৰ বাবে আছিল। পাচি, খৰাহি, সজা, কঠ বা পাটী গুঠা, ৰচী বনোৱা, সূতা কটা, কাপোৰত ৰং সনা, সুগন্ধি দ্ৰব্য প্ৰস্তুত কৰা, চকুৰ কাজল তৈয়াৰ কৰা, পুতলা বনোৱা আদি কাৰ্য্যবোৰ মহিলাসকলৰ বাবে আছিল। ইয়াৰোপৰি ঋগ্বেদৰ ৭-৩৩-৯,১০- ৭১-৯ মন্ত্ৰত মহিলাসকলৰ তাঁত বোৱা বা বয়নশিল্পৰ বিষয়ে পোৱা যায়।

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

**বৈদিক নাৰীসকলক সামৰিক প্ৰশিক্ষণ ঃ**

যুদ্ধক্ষেত্ৰত অস্ত্ৰধাৰণ কৰা বহুতো বীৰাঙ্গনা মহিলাৰ নাম ঋগ্বেদত পোৱা যায়। এই মহিলাসকলে যুদ্ধক্ষেত্ৰলৈ নিজে-নিজে গৈ আগভাগ লৈছিল আৰু অতি পাকৈতভাবে অস্ত্ৰচালনা কৰি শত্ৰুক পৰাজয় কৰিছিল। যুদ্ধক্ষেত্ৰত ৰজা নমুচিৰ পত্নীয়ে তেওঁক সহায় কৰিছিল। ঋগ্বেদৰ অশ্বিনী কুমাৰদ্বয় নামৰ সূক্তত উল্লেখ আছে যে খেলৰজাৰ ৰাণী বিস্পলা নামৰ বীৰাঙ্গনা মহিলাগৰাকীয়ে যুদ্ধক্ষেত্ৰত অতি সাহসিকতাৰ পৰিচয় দেখুৱাইছিল। ঋগ্বেদৰ ১-১১৬-১৫ মন্ত্ৰটোত বৈদিক যুগৰ মহিলাসকলৰ প্ৰশংসাৰ বিষয়ে পোৱা যায়। সেই সময়তো মহিলাসকলৰ বীৰত্ব, সামৰিক শিক্ষা, নিপুণতা, অস্ত্ৰ চিকিৎসা দক্ষতাৰ পৰিচয় পোৱা যায়। বৈদিক যুগৰ আন এগৰাকী অতি সাহসী ৰণবিশাৰদ বীৰাঙ্গনা হ'ল মুদগলানী, তেওঁ সামৰিক প্ৰশিক্ষণ, বীৰত্ব আৰু ৰণচাতুৰ্যৰ জ্বলন্ত উদাহৰণ। মুদগলানী নামটো বৈদিক বীৰাঙ্গনাসকলৰ ভিতৰত সদায় জিলিকি থাকিব। মুদগলানীয়ে অসীম সাহস আৰু বীৰত্বৰে প্ৰচণ্ড যুদ্ধৰ মাজতো ৰথ চলাই পতিৰ শত্ৰুক নিশেষ কৰিছিল। এই বীৰাঙ্গনাগৰাকীয়ে বহুতো পলায়ন কৰা শত্ৰুক অকলেই বন্দী কৰিছিল। মুদগলানীৰ নিৰ্ভীক সাহসিকতা আৰু বীৰত্বব্যঞ্জক যুদ্ধৰ অপূৰ্ব বৰ্ণনা ঋগ্বেদৰ ১০-১০২-২ মন্ত্ৰত পোৱা যায়। ঋগ্বেদৰ কেইটামান সূক্তত পোৱা যায় যে দাস বৰ্ণৰ বহুতো স্ত্ৰী সৈন্য আছিল আৰু তেওঁলোকে অতি বীৰত্বৰে যুদ্ধ কৰিছিল। ঋগ্বেদৰ ৫-৬১, ৫-৮০-৬,৭-৭৮-৫৮-৩৩-১৯, ৮-৯১ আদি সুক্ত আৰু মন্ত্ৰত অনাৰ্থ নাৰীসকলৰ বীৰত্বপূৰ্ণ কাৰ্য-কলাপৰ আৰু যুদ্ধত নিৰ্ভীক দক্ষতাৰ বিষয়ে পোৱা যায়। বৈদিক যুগত পোৱা মহিলাসকলৰ এই সামৰিক প্ৰশিক্ষণ আৰু শৰীৰচৰ্চাৰ বিষয়ে পিছৰ যুগত পোৱা যায়। সম্ৰাট চন্দ্ৰগুপ্তৰ ৰাজপ্ৰাসাদত পহৰা দিয়া বীৰাঙ্গনা নাৰীৰ বিষয়ে মেগাস্থিনিছে প্ৰকাশ কৰিছে। খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাত পতঞ্জলীয়ে তেওঁৰ মহাভাষ্যত শক্তিকী নামৰ যাঁঠি চলাব পৰা বীৰাঙ্গনা মহিলাৰ বিষয়ে প্ৰকাশ কৰিছে।

**সামৰণি ঃ**

ওপৰোক্ত আলোচনাৰ পৰা জানিব পাৰি যে বৈদিক যুগতো মহিলাসকলক আধ্যাত্মিক, নৈতিক, মানসিক শাৰীৰিক, কুটীৰশিল্প, সৌন্দৰ্য্য চৰ্চা আদি বিভিন্ন বিষয়ৰ ওপৰত অতি উচ্চ পৰ্য্যায়ৰ শিক্ষা প্ৰদান কৰা হৈছিল। বৈদিক যুগতো মহিলাসকল কোনো ক্ষেত্ৰতে পিছপৰা নাছিল। তেওঁলোকৰ মাজতো বহু নাৰী ঋষি, ছাত্ৰী, শিক্ষয়িত্ৰী, বেদমন্ত্ৰৰচয়িত্ৰী, বিবাহিতা বা চিৰকুমাৰী আদি উচ্চ শিক্ষিতা নাৰী আছিল। বৈদিক যুগত, থকা উপকুৰ্বান ছাত্ৰৰ দৰে কঠোৰ ব্ৰহ্মচৰ্য ব্ৰত পালন কৰা ব্ৰহ্মচাৰিণী নাৰীও আছিল। ইয়াৰোপৰি সেই সময়ৰ মহিলাসকলক তাঁত বোঁৱা, ফুলবচা, ঊণ গুঠা, চিলাইৰ কাম, নৃত্য-গীত আদি কুটীৰ শিল্পৰ কাৰ্য্যবোৰ শিকোৱা হৈছিল। এই মহিলাসকলক সামৰিক শিক্ষা, শৰীৰ চৰ্চা আদি শিক্ষাও প্ৰদান কৰা হৈছিল। বৈদিক যুগত মহিলাসকলৰ উপনয়ন পতা হৈছিল, তেওঁলোকৰ বেদ অধ্যয়নত বা যজ্ঞাদিতো সম্পূৰ্ণ অধিকাৰ প্ৰদান কৰিছিল। কিন্তু বৈদিক যুগৰ পিছৰ যুগত মহিলাসকলৰ শিক্ষা-দীক্ষাৰ ক্ষেত্ৰতে হওঁক বা অন্যান্য বিভিন্ন ক্ষেত্ৰত ক্ৰমাৎ নিম্নগামী হোৱা দেখা যায়। এনেকৈ ক্ৰমাৎ নিম্নগামী হৈ হৈ ধৰ্মসূত্ৰ আৰু মনুসংহিতাৰ সময়লৈকে মহিলাসকলক সমাজত কিছু হীন দৃষ্টিভংগীৰে চোৱা হৈছে বা আগৰ উন্নতস্থানৰ পৰা বহু তললৈ অৱনমিত হোৱা পৰিলক্ষিত হৈছে।


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) আমান, আব্দুল আজীজ আলু (১৯৭৬). ঋগ্বেদ, কলিকতা।

২) গম্ভীৰানন্দ, স্বামী (২০০০). বৃহদাৰণ্যকোপনিষদ, চতুৰ্দশ পুনৰ মুদ্ৰণ।

৩) গম্ভীৰানন্দ, স্বামী (২০০৬). ঐতৰেয় ব্ৰাহ্মণ, একবিংশতি, পুনৰ মুদ্ৰণ।

৪) গম্ভীৰানন্দ, স্বামী (২০০৬). তৈত্তিৰীয় উপনিষদ, একবিংশতি, পুনৰ মূদ্ৰণ।

৫) গোস্বামী, বিজন বিহাৰী, যজুৰ্বেদ।

৬) বসু, যোগীৰাজ (২০১৯). বেদৰ পৰিচয়, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী।

৭) শৰ্মা, কিৰণ (১৯৯৮). মনুসংহিতা অসম বেদ বিদ্যালয়, গুৱাহাটী।

৮) শৰ্মা, ভাগ্যশ্ৰী আৰু ভৰদ্বাজ, মৃদুস্মিতা (২০২২). ‘ভাৰতীয় সামাজিক প্ৰতিষ্ঠানসমূহ আৰু শাসনতন্ত্ৰ’, অশোক বুক ষ্টল, গুৱাহাটী।

********